দয়াশীলসকলৰ ওপৰত কৰুণাময় আল্লাহে দয়া কৰে। তোমালোকে পৃথিৱীবাসীসকলৰ ওপৰত দয়া কৰা, তেতিয়াহে সেই সত্ত্বাই তোমালোকৰ ওপৰত দয়া কৰিব যিজন আকাশত আছে।

আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ দয়াশীলসকলৰ ওপৰত কৰুণাময় আল্লাহে দয়া কৰে। তোমালোকে পৃথিৱীবাসীসকলৰ ওপৰত দয়া কৰা, তেতিয়াহে সেই সত্ত্বাই তোমালোকৰ ওপৰত দয়া কৰিব যিজন আকাশত আছে।
[ছহীহ] [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, যিসকল লোকে আনৰ প্ৰতি দয়া কৰে, তেওঁলোকৰ প্ৰতি দয়াময় আল্লাহে দয়া কৰে, যাৰ দয়া সকলো বস্তুকে আবৰি আছে। এইটোৱে উপযুক্ত প্ৰতিফল। ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে পৃথিৱীৰ বুকুত থকা সকলোৰে প্ৰতি দয়া কৰিবলৈ নিৰ্দেশ দিছে, সেয়া মানৱ হওক বা জীৱ-জন্তু অথবা চৰাই-চিৰিকটি বা অন্য কোনো বস্তু, লগতে তেখেতে কৈছে- ইয়াৰ বিনিময়ত আকাশৰ ওপৰত থকা মহান আল্লাহে তোমালোকৰ প্ৰতি ৰহম কৰিব।

https://sunnah.global/hadeeth/as/show/8289